অসম চৰকাৰ

# কাৰ্য্যবাহী বিষয়াৰ কাৰ্য্যালয় ঃঃ ৰহা আঞ্চলিক পঞ্চায়ত

ৰহা ঃঃ নগাঁও ঃঃ অসম

নং:- No. RAP/TENDER/170/2024-25/5297-5309 তাং- ৩১/০৫/২০২৪

## ৰহা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত বজাৰ আৰু মীন মহলৰ বন্দোৱস্তিৰ বাবে

## নিবিদা জাননী

**ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক জনোৱা হয় যে, ৰহা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত নিম্নোক্ত বজাৰ/ মীনমহলবোৰ ১৯৯৪ চনৰ অসম পঞ্চায়ত আইন মতে ২০২৪-২৫ বৰ্ষৰ বাবে অৰ্থাত ০১।০৭।২০২৪ তাৰিখৰ পৰা ৩০।০৬।২০২৫ তাৰিখলৈ এবছৰ বাবে** নিবিদাযোগে বন্দোৱস্তি দিয়া হব। বজাৰ/ মীনমহল বন্দোৱস্তি পাবলৈ ইচ্ছুক প্ৰাৰ্থীৰ পৰা ৮.২৫ টকা (আঠ টকা পঁচিশ পইচা) ন্যায়লয়ৰ শুল্ক লগোৱা লা মোহৰযুক্ত খামত নিবিদা আহ্বান কৰা হ'ল।

**নিবিদাসমূহ** আহা ইং ২১/০৬/২০২৪ তাৰিখে দিনৰ ২ বজালৈকে আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয়ত গ্ৰহণ কৰা হব আৰু সেইদিনাই নিবিদাকাৰী/নিবিদাকাৰীৰ প্ৰতিনিধিৰ সাক্ষাতত ৩ বজাত খোলা হব যদিহে অন্য কোনো অসুবিধা নাথাকে।

| ক্ৰমিক নং | বিল/বজাৰৰ নাম | চৰকাৰী নিৰিখ | আমানত ধন |
|---|---|---|---|
| ১ | আমচৈ সপ্তাহিক বজাৰ | ৩,৩২,৭৫০/- | ৩৩,২৭৫/- |
| ২ | ফুলগুৰি সপ্তাহিক বজাৰ | ৬,০০,২৮১/- | ৬০,০২৮/- |
| ৩ | শিমলুগুৰি সপ্তাহিক বজাৰ | ১,০৫,১৪৯/- | ১০,৫১৫/- |
| ৪ | পুঠিমাৰী শিৰস্থান সপ্তাহিক বজাৰ | ৩৬,৬০৩/- | ৩,৬৬০/- |
| ৫ | চাপৰমুখ দৈনিকবজাৰ | ১,১১,৩২০/- | ১১,১৩২/- |
| ৬ | চাপৰমুখ সপ্তাহিক বজাৰ | ৩৩,২৭৫/- | ৩,৩২৮/- |
| ৭ | দিঘলী সপ্তাহিক বজাৰ | ৬৫,২১৯/- | ৬,৫২২/- |
| ৮ | জাগিয়াল তিনি আলি সপ্তাহিক বজাৰ | ৫২,৭০৮/- | ৫,২৭১/- |
| ৯ | বালিজুৰি সপ্তাহিক বজাৰ | ৫২,৭০৮/- | ৫,২৭১/- |
| ১০ | ডালিমবাৰি নতুন সপ্তাহিক বজাৰ | ৩৯,৯৩০/- | ৩,৯৯৩/- |
| ১১ | কাকতিগাঁও ৰেলগেট দৈনিক বজাৰ | ৩৩,২৭৫/- | ৩,৩২৮/- |
| ১২ | দীঘলিআটি সপ্তাহিক বজাৰ | ৩৩,০০০/- | ৩,৩০০/- |
| ১৩ | দাবলু বিল ও নেজা | ১,০৬,৪৮০/- | ১০,৬৪৮/- |
| ১৪ | দুবৰীতলি,পুনাধৰা, পুখুৰীয়া বিল | ৯৬,৬৩১/- | ৯,৬৬৩/- |
| ১৫ | বৰদোৱা বিল | ৩৩,২৭৫/- | ৩,৩২৮/- |
| ১৬ | তপত কৰাই বিল | ৩,১৯,৪৪০/- | ৩১,৯৪৪/- |
| ১৭ | ডাঙৰি বিল | ২,৬২,২০৭/- | ২৬,২২১/- |
| ১৮ | বৰ হটীমুৰা ,সৰু হটীমুৰা,সাপেখাইটী বিল | ২,১২,৯৬০/- | ২১,২৯৬/- |
| ১৯ | কটাইবাৰী, গুটলুংঙা, দীঘলিডুবা বিল | ৭৫,৮৬৭/- | ৭,৫৮৭/- |
| ২০ | খৰমলা বিল | ৭৩,৪৪৭/- | ৭,৩৪৫/- |
| ২১ | পুঠিমাৰী মিছামাৰী জান বিল | ৯৫,৫৯০/- | ৯,৫৫৯/- |
| ২২ | ঐৰাৱত বিল | ৩৩,২৭৫/- | ৩,৩২৮/- |

কাৰ্য্যবাহী বিষয়া
ৰহা আঞ্চলিক পঞ্চায়ত
নগাঁও ঃ অসম

Chief Executive Officer
Nagaon Zilla Parishad

| | | | |
|---|---|---|---|
| ২৩ | ৰামজাং আটী ফিচাৰী, ৪নং শিঙিমাৰী ফিচাৰী | ৩৯,৩২৫/- | ৩,৯৩৩/- |
| ২৪ | ফাকুলি,সৰু ফাকুলি ধনঞ্জয় বিল | ৮৪,৭০০/- | ৮,৪৭০/- |
| ২৫ | বঙ্ক বিল/বংশ বিল | ৩০,২৫০/- | ৩,০২৫/- |
| ২৬ | দিঘলী জান বিল | ৪২,৩৫০/- | ৪,২৩৫/- |
| ২৭ | হগলতলি বিল | ৪২,৩৫০/- | ৪,২৩৫/- |
| ২৮ | মিকিৰ ধৰ বিল | ৩০,২৫০/- | ৩,০২৫/- |
| ২৯ | আঙুলিকাটা জান | ৫৫,০০০/- | ৫,৫০০/- |
| ৩০ | ৰহা উন্নয়ন খণ্ড পুখুৰি | ২৫,২০০/- | ২,৫২০/- |
| ৩১ | চেফটি বিল | ৩০,৮৫৫/- | ৩,০৮৬/- |
| ৩২ | গুইমাৰী বিল | ৩৯,৭০০/- | ৩,৯৭০/- |
| ৩৩ | দিঘলী বিল | ৮৪,৭০০/- | ৮,৪৭০/- |
| ৩৪ | মানুহ মাৰা বিল | ৬০,৫০০/- | ৬,০৫০/- |
| ৩৫ | বালিচৰা বিল | ৭২,৬০০/- | ৭,২৬০/- |
| ৩৬ | এলেংডোবা বিল | ৯৬,৮০০/- | ৯,৬৮০/- |
| ৩৭ | বগীডোবা বিল (জাককুৰা) | ২৫,৫০০/- | ২,৫৫০/- |
| ৩৮ | মৰাছাল বিল (জাককুৰা) | ২৬,৫০০/- | ২,৬৫০/- |
| ৩৯ | মৰাহাৰিয়া ২নং (জাককুৰা) | ২৫,৫০০/- | ২,৫৫০/- |

## বজাৰ/মীনমহল আদিৰ নিবিদাৰ চতাৰ্ৱলী

**(প্ৰথম খণ্ড)**

১) বজাৰ/মীনমহলৰ বন্দোবস্তিৰ বাবত পূৰ্বতে টকা দিবলৈ বাকী থকা লোক আৰু তেওঁৰ পৰিয়ালৰ সদস্যই নিবিদা দাখিল কৰিব নোৱাৰিব। **বৰ্তমান বজাৰ/মীনমহল/পাউণ্ড চলাই থকা মহলদাৰেও নিবিদা দাখিল কৰিবৰ বাবে চলিত বছৰৰ বাকী থকা সকলো কিস্তি আদায় দিব লাগিব।**

২) নিৰ্দিষ্ট ব্যক্তি বিশেষৰ পৰিৱৰ্তে কোনো শিক্ষানুস্থান, সামাজিক অনুস্থান, সন্থা, সমিতি বা তেনেধৰণৰ অনুস্থান আদিৰ নামত নিবিদা দাখিল কৰিব নোৱাৰিব আৰু এনে নিবিদা পোনপতিয়াকৈ নাকচ কৰা হব।

৩) আঞ্চলিক পঞ্চায়তক ৩০০.০০ টকা জমা দি নিবিদা ফৰ্ম আৰু আনুষংগিক নথি-পত্ৰ লব লাগিব।

৪) প্ৰতি বজাৰ/মীনমহলৰ বাবে পৃথকে পৃথকে নিবিদা দাখিল কৰিব লাগিব।

৫) আঞ্চলিক পঞ্চায়তে যোগান ধৰা মূল নিবিদা ফৰ্মতহে নিবিদা দাখিল কৰিব লাগিব। কোনো ক্ষেত্ৰতে **নিবিদা ফৰ্মৰ ফটোষ্টেট কপি গ্ৰহণ কৰা নহব। কোনো নিবিদাকাৰীয়ে ফটোষ্টেট কপিত নিবিদা দাখিল কৰিলে আঞ্চলিক পঞ্চায়তৰ নামত ৩০০.০০ টকা জমা দিয়াৰ ৰচিদ নিবিদাৰ লগত দাখিল কৰিব লাগিব।**

৬) প্ৰত্যেক নিবিদাকাৰীয়ে **নিবিদাৰ ফৰ্মত নিজৰ** সম্পূৰ্ণ নাম, ঠিকনা ও আৰক্ষী থানা উল্লেখ কৰিব লাগিব। **নিবিদাকাৰী উক্ত জিলাৰ বাসিন্দা হব লাগিব।**

**৭) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত প্ৰয়োজনীয় কোৰ্টফি আৰু আমানতৰ ধন জমা দিয়াটো বাধ্যতামূলক।নিবিদা দাখিলৰ পাছত কোনো নিবিদাকাৰীয়ে নিবিদা উঠায় লব নোৱাৰিব। তেনে কৰিলে অথবা কোনো বন্দোবস্তি প্ৰাপ্ত নিবিদাকাৰীয়ে বন্দোবস্তি গ্ৰহণ নকৰিলে তেওঁলোকৰ আমানতৰ ধন বাজেয়াপ্ত কৰা হ'ব।**

৮) নিবিদা দাখিলৰ ও খোলাৰ দিনা চৰকাৰী বন্ধৰ দিন ঘোষনা কৰিলে পৰৱৰ্তী কাৰ্য্যালয় খোলাৰ দিনত নিবিদা গ্ৰহন কৰা হব।

৯) কোনো বজাৰ/মীনমহলৰ নিবিদাৰ মূল্য উপযুক্ত বিবেচনা নহলে পুনৰ নিবিদা আহ্বান কৰা হব।

**১০) সকলো বজাৰ/মীনমহল/পাউণ্ডৰ ক্ষেত্ৰত সৰ্ব্বোচ্চ নিবিদাকাৰীৰ নিবিদা বিবেচনাৰ বাবে গ্ৰহণ কৰা হব। যদি কোনো সৰ্ব্বোচ্চ নিবিদাকাৰীয়ে নিবিদাৰ লগত প্ৰয়োজনীয় নথি-পত্ৰ (কোৰ্ট ফি আৰু আমানত ধন বাদ দি) দাখিল কৰা নাছিল, তেনে ক্ষেত্ৰত সেই নিবিদাকাৰীক সেই নথি-পত্ৰ সমূহ জমা দিবলৈ সৰ্ব্বোচ্চ ৩ দিনৰ সময় দিয়া হব। যদি সেই নিবিদাকাৰীয়ে নথি-পত্ৰ সমূহ সৰ্ব্বোচ্চ ৩দিনৰ ভিতৰত দাখিল কৰিব নোৱাৰে তেওঁৰ নিবিদা নাকচ কৰা হব আৰু লগতে আমানত ধনো বাজেয়াপ্ত কৰা হব আৰু পৰৱৰ্তী উচ্চ নিবিদাকাৰীক উপৰোক্ত চৰ্ত সাপেক্ষে বন্দোবস্তি সুবিধা প্ৰদান কৰা হ'ব।**

Chief Executive Officer
Nagaon Zilla Parishad

(দ্বিতীয় খণ্ড)

১১) ক) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাত ১,০০,০০০.০০ (এক লাখ) টকাৰ ওপৰৰ বজাৰ/মীনমহলৰ তালিকাত উল্লেখ কৰা মতে **নিৰ্দিষ্ট বজাৰ/মীন মহল খনৰ চৰকাৰী নিৰিখৰ** ১০% (দহ শতাংশ) আমানতৰ ধন **নগাওঁ** জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াক আধিত (Pledge) কৰি অসম কো-অপাৰেটিফ এপেক্স বেংক, অসম গ্ৰামীণ বিকাশ বেংক অথবা যিকোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ নূন্যতম এবছৰৰ (Fixed Deposit) নিবিদাৰ লগত গাঁঠি দিব লাগিব। অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ লোকে ৫০ % (পঞ্চাশ শতাংশ) আমানতৰ ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমান পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঁঠি দিব লাগিব।

খ) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদা**ৰ লগত** ১,০০,০০০.০০ (এক লাখ) টকাৰ তলৰ বজাৰ/ঘাট/মীনমহল তালিকাত উল্লেখ কৰা মতে **নিৰ্দিষ্ট বজাৰ/মীন মহল খনৰ চৰকাৰী নিৰিখৰ** ১০% (দহ শতাংশ) আমানত ধন **ৰহা** আঞ্চলিক পঞ্চায়তৰ পদেন সচিব তথা কাৰ্য্যবাহী বিষয়াক আধিত (Pledge) কৰি অসম কো-অপাৰেটিফ এপেক্স বেংক, অসম গ্ৰামীণ বিকাশ বেংক অথবা যিকোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ নূন্যতম এবছৰৰ (Fixed Deposit) নিবিদাৰ লগত গাঁঠি দিব লাগিব। অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ লোকে ৫০ % (পঞ্চাশ শতাংশ) আমানতৰ ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমান পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঁঠি দিব লাগিব।

১২) নিবিদাকাৰীয়ে নিবিদাৰ লগত ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা প্ৰত্যায়িত পাচপৰ্ট আকাৰৰ ফটো গাঁঠি দিব লাগিব।

১৩) নিবিদাকাৰী আৰু জামিনদাৰে সংশ্লিষ্ট জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তৰ পৰা কৰ মুক্ত পূৰ্বৰ বাকীদাৰ (Defaulter) নোহোৱা প্ৰমান পত্ৰ লৈ নিবিদাৰ লগত গাঁঠি দিব লাগিব।

১৪) নিবিদাকাৰী অথবা জামিনদাৰে নিবিদা মূল্যৰ ওপৰত মাটি জামিন হিচাবে দিব লাগিব। জামিন দিয়া মাটি চলিত বৰ্ষৰ ক) জমাবন্দি , খ) উক্ত মাটি সকলো দিশৰ পৰা দায় মুক্ত প্ৰমান পত্ৰ আৰু মাটি মূল্যৰ প্ৰমান-পত্ৰ সংশ্লিষ্ট উপায়ুক্ত/মহকুমাধিপতি/ৰাজহচক্ৰ বিষয়াৰ পৰা লৈ নিবিদাৰ লগত গাঁঠি দিব লাগিব। নিবিদাত জামিনদাৰেও চহী কৰিব লাগিব। মাটিৰ তথ্য-পাতিৰ পৰিবৰ্তে নিবিদামূল্যৰ ওপৰত Bnak Guaranteeৰ তথ্যও জামিন হিচাবে গ্ৰহনযোগ্য হব। একেজন জামিনদাৰে/নিবিদাকাৰীয়ে অন্য এখন বজাৰ/মীনমহলৰ জামিনদাৰ হব নোৱাৰিব। জামিন দিব বিচৰা মাটিৰ সহপট্টাদাৰ থাকিলে তেওঁলোকৰ সন্মতি /মতামত **দাখিল কৰিব লাগিব**।

১৫) নিবিদাৰ লগত গাঁঠি দিয়া নথি-পত্ৰবোৰ সত্য বুলি নিবিদাকাৰী আৰু জামিনদাৰে Affidavit দাখিল কৰিব লাগিব।

১৬) বজাৰ/মীনমহলৰ কিস্তি ১,০০,০০০.০০ (এক লাখ) টকাৰ ওপৰৰ বন্দৱস্তিপ্ৰাপ্ত নিবিদাকাৰীয়ে সময়মতে জিলা পৰিষদ কাৰ্য্যালয়ত আৰু ১,০০,০০০.০০ (এক লাখ) টকাৰ তলৰ ক্ষেত্ৰত আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয়ত ২০নং দফাত উল্লেখ কৰা অনুযায়ী জমা দিব লাগিব।

১৭) প্ৰথম আৰু দ্বিতীয় খণ্ডৰ ১নং দফাৰ পৰা ১৬ নং দফালৈ সন্নিবিষ্ট চৰ্তাৱলী পূৰণ নহলে নিবিদা বাতিল কৰা হ'ব।

Chief Executive Officer
Nagaon Zilla Parishad

(তৃতীয় খণ্ড)

১৮) অসম পঞ্চায়ত (বিত্তিয়) নিয়মাৱলী ২০০২ ৰ ৪৭ (১১) আৰু ৪৭ (১৬) বিধিমতে নিবিদাকাৰীয়ে বজাৰ/মীনমহলৰ বন্দৱস্তি পোৱাৰ এসপ্তাহৰ ভিতৰত নিৰ্দ্ধাৰিত দলিল (Stamp paper) ত চুক্তি পত্ৰ উপ পঞ্জীয়কৰ কাৰ্য্যালয়ত পঞ্জীয়নভুক্ত কৰি দাখিল কৰিব লাগিব । এই ক্ষেত্ৰত দলিল (Stamp paper) আৰু পঞ্জীয়নৰ খৰচ নিবিদাদাৰে বহন কৰিব লাগিব।

১৯) জামিনত দিয়া মাটি অথবা Bank Guarantee কোনো ব্যক্তি, অনুষ্ঠানৰ ওচৰত বিক্ৰি বা বন্ধকী দিব নোৱাৰিব। কিস্তিৰ টকা আদায় দিব নোৱাৰিলে জামিন দিয়া মাটি আইন অনুযায়ী বাজেয়াপ্ত কৰা হব। লগতে বাকী জাই গোচৰ ৰুজু কৰা হব।

২০) বন্দৱস্তিপোৱা নিবিদাকাৰীয়ে বন্দৱস্তি মূল্যৰ ৩০% শতাংশ জামিন (Security) হিচাপে বন্দৱস্তি জাননী প্ৰেৰণৰ এসপ্তাহৰ ভিতৰত জিলা পৰিষদ / আঞ্চলিক পঞ্চায়তত জমা দিব লাগিব। বন্দৱস্তি বছৰৰ পহিলা জুলাই মাহৰ পৰা আৰম্ভ কৰি প্ৰতি মাহৰ ৭ তাৰিখৰ ভিতৰত বন্দৱস্তি মাহিলি ধন জমা দিব লাগিব। একেৰাহে ২(দুই) মাহৰ বন্দৱস্তিৰ ধন জমা দিব নোৱাৰিলে বন্দৱস্তি নাকচ কৰা হব। জামিন (Security) জমা টকা বাকী থকা মাহ বোৰৰ শেষ কিস্তিত চামিল (Adjust) কৰা হব।

**২১) জামিন জমা (Security Deposit) আৰু কিস্তিৰ টকা বেংক ড্ৰাফটৰ যোগেদিহে গ্ৰহণ কৰা হব। কোনো কাৰণতে নগদ টকা গ্ৰহণ কৰা নহব।**

২২) হাট/মীনমহলৰ বন্দৱস্তি পোৱা নিবিদাকাৰীয়ে অন্য কোনো ব্যক্তি বা অনুষ্ঠানলৈ হাট/মীনমহল হস্তান্তৰ (Sublet)কৰিব নোৱাৰিব।

**২৩) যদি কোনো নিবিদাকাৰীয়ে উচ্চ হাৰত নিবিদা দাখিল কৰি বন্দোনস্তিৰ পূৰ্ব্বে নিবিদা উঠায় লয় তেনেহলে উক্ত নিবিদাকাৰীৰ আমানতৰ ধন বাজেয়াপ্ত হব আৰু আগণ্তক পাঁচ বচৰলৈ কোনো নিবিদা দাখিল কৰিব নোৱাৰিব।**

২৪) **পঞ্চায়ত আৰু গ্ৰামোন্নয় বিভাগৰ যিকোনো বিষয়াই হাট/মীনমহলৰবন্দোবস্তি বা পৰিচালনাৰ লগত জড়িত সকলো তথ্য পাতি, কাগজ-পাতি, ৰেজিষ্টাৰ ইত্যাদিৰ পৰিদৰ্শন বা তদন্ত কৰিব পাৰিব।**

২৫) নিবিদা জাননী আহ্বিৰ তৃতীয় খণ্ডৰ ১৯নং দফাৰ পৰা ৩২নং দফালৈ সন্নিবিষ্ট চৰ্তাবলি মানি নচলিলে বন্দৱস্তি বাতিল কৰা হব।

২৬) **প্ৰত্যেক নিবিদাকাৰীয়ে নিম্নলিখিত চৰ্ত্তসমূহ মানি চলিব লাগিব :-**

ক) হাটত বিশুদ্ধ খোৱা পানীৰ যোগান ব্যৱস্থা নিবিদাকাৰীয়ে কৰিব লাগিব।

খ) হাটৰ ভিতৰত থকা জাবৰ বা গেলা-পঁচা বস্তু নিজৰ খৰচত মহলদাৰে হাটৰ সীমাৰ পৰা কমেও ৬০০ মিটাৰ জনবসতিৰ আতৰত পেলাব লাগিব; যাতে ওচৰত বসতি কৰা লোকৰ আপত্তি নাথাকে বা অনিষ্ট নহয়।

গ) হাটত গেলা-পচা মাছ-মাংস বিক্ৰী কৰিলে মহলদাৰে তৎক্ষণাত বন্ধ কৰিব আৰু ওচৰত থকা জন-স্বাস্থ্য বিষয়াক জনাব লাগিব। লগতে বজাৰৰ গেলা-পঁচা বস্তু/বাইজৰ স্বাস্থ্য হানি হোৱা বস্তু/ সামাজিক পৰিৱেশ ক্ষতি হোৱা বস্তু বিক্ৰী কৰিব নোৱাৰিব।

ঘ) জিলা পৰিষদ /আঞ্চলিক পঞ্চায়তৰ অনুমোদিত খাজানাৰ (মাচুল) নিৰিখত হাট/মীনমহলৰ এলেকাত প্ৰকাশ্য এখন জাননী ফলক (নটিচ বৰ্ড)ত সহজে পঢ়িব পৰাকৈ লিখি ৰাখিব লাগিব।

ঙ)চৰকাৰী নাইবা পঞ্চায়তৰ কোনো বস্তু কিনা-বেচা হলে উক্ত বস্তুৰ ওপৰত কোনো খাজানা লব নোৱাৰিব।

**চ) হাট/বজাৰৰ যি অংশত গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্ন জীৱ-জন্তুৰ বেচাকিনা হয়, সেই অংশত বজাৰৰ মহলদাৰে গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্ন জীৱ-জন্তুৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব আৰু লগতে সেই আংশৰ পৰিস্কাৰ পৰিচন্ন কৰি ৰাখিব লাগিব।**

**ছ) ক'ভিড-১৯ মহামাৰীৰ পৰা সুৰক্ষাৰ অৰ্থে কেন্দ্ৰীয় তথা ৰাজ্যিক চৰকাৰৰ দ্বাৰা বিভিন্ন সময়ত জাৰি কৰা অধিসুচনা আৰু নিয়মাৱলী সমূহ মানি চলাটো নিবিদাকাৰীয়ে সু-নিশ্চিত কৰিব লাগিব। সংশ্লিষ্ট মুখ্য**

সভাপতি আঞ্চলিক পঞ্চায়ত

Chief Executive Officer
... Zila Parishad